# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 02-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে উত্তৰাখণ্ডলৈ যাব।

২। ইছৰোই আজি সন্ধিয়া দেশৰ সবাতোকৈ গধূৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ CMS-03 মহাকাশলৈ উৎক্ষেপণ কৰিব।

৩। প্ৰসাৰ ভাৰতীয়ে সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত আজিৰে পৰা ২৯ নৱেম্বৰলৈ সমগ্ৰ দেশৰ ২৪ টা কেন্দ্ৰত আকাশবাণী সংগীত সন্মিলনৰ ৬৭ সংখ্যক সংস্কৰণৰ আয়োজন কৰিছে।

৪। বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে।

*আৰু*

৫। ভাৰত আজি আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে উত্তৰাখণ্ডলৈ যাব। শ্ৰীমতী মুৰ্মুৱে আজি হৰিদ্বাৰৰ পটঞ্জলি বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ উত্তৰাখণ্ডৰ ৰাজ্য গঠনৰ ৰূপালী জয়ন্তী উপলক্ষে ডেৰাডুনত বিধানসভা উদ্দেশি ভাষণ দিব। তেওঁ লগতে নাইনিটালত ৰাজভৱন স্থাপনৰ ১২৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এটা অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

পৰহিলৈ ৰাষ্ট্ৰপতি মুৰ্মুৱে কেইঞ্চিধামত নিমকৰোলি বাবা আশ্ৰম পৰিদৰ্শন কৰিব। পাছত তেওঁ নাইনিটালৰ কুমাও বিশ্ববিদ্যালয়ৰ কুৰি সংখ্যক সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

ooooo

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈ পৰা দুদিনীয়া কাৰ্যসূচীৰে কেৰালা ভ্ৰমণ কৰিব। ভ্ৰমণৰ অংশ হিচাপে তেওঁ প্ৰথম দিনা কোল্লামৰ ফাতিমা মাতা নেচনেল কলেজৰ হীৰক জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰিব। উপৰাষ্ট্ৰপতিগৰাকীয়ে একেদিনাই কোল্লামত ভাৰতীয় নাৰিকলৰ আঁহ ৰপ্তানী সংস্থাৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা তেওঁ তিৰুৱনন্তপুৰমত শ্ৰী চিত্ৰা তিৰুনাল চিকিৎসা বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানখন ভ্ৰমণ কৰিব।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি সন্ধিয়া পাঁচ বাজি ২৬ মিনিটত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা দেশৰ সবাটোকৈ গধূৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ CMS-03 মহাকাশলৈ

উৎক্ষেপণ কৰিব। CMS-03 একাধিক বেনযুক্ত সামৰিক যোগাযোগ উপগ্ৰহ। এই উপগ্ৰহটোৰ GSAT-7R নামেৰেও জনাজাত। এই উপগ্ৰহটো LVM3 নামৰ ৰকেটেৰে উৎক্ষেপণ কৰা হ'ব। ইছ্ৰোই প্ৰকাশ কৰা মতে এই উপগ্ৰহটোৱে ভাৰতীয় ভূভাগসহ মহাসাগৰীয় অঞ্চলত সেৱা আগবঢ়াব।

০০০০০

নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন ক্ষেত্ৰত আৰোপ কৰা সামগ্ৰী আৰু সেৱা কৰ জি এছ টি হ্ৰাস কৰাৰ পাছত যোৱা ২২ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা জি এছ টি সঞ্চয় উৎসৱৰ পৰা দেশবাসী লাভান্বিত হৈছে। পৰৱৰ্তী প্ৰজন্মই এই জি এছ টি সংস্কাৰে ষ্টেচনাৰী সামগ্ৰীৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰি শিক্ষাৰ্থী আৰু পৰিয়ালসমূহক সকাহ প্ৰদান কৰিছে। সংশোধিক কৰ পৰিকাঠামোৰ অধীনত নোট বুক, গ্ৰাফ বুক, ছাৰ্পনাৰ, ইৰেজাৰ আৰু পেঞ্চিলৰ লেখীয়া সামগ্ৰীসমূহ সম্পূৰ্ণৰূপে কৰমুক্ত কৰা হৈছে। ইয়াৰ ফলত এই সামগ্ৰীসমূহ শিক্ষাৰ্থীৰ বাবে অধিক বহনক্ষম আৰু সহজলভ্য হৈ উঠিছে। একেদৰে জ্যামিট্ৰিবক্স আৰু মেথামেটিকেল ইনষ্ট্ৰুমেণ্টৰ দৰে শিকন সামগ্ৰী সমূহৰ ওপৰত আৰোপিত কৰ পূৰ্বৰ ১২ শতাংশৰ পৰা পাঁচ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত পৰিয়ালসমূহৰ বিত্তীয় বজাৰ লাঘৱ হৈছে আৰু ঘৰুৱা নিৰ্মাতাসকলৰ বাবে চাহিদা বৃদ্ধি পাইছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে নাইজেৰিয়াৰ বিৰুদ্ধে  সাম্ভাব্য সামৰিক ব্যৱস্থাৰ বাবে সাজু হৈ থাকিবলৈ যুদ্ধ বিভাগক নিৰ্দেশ দিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ট্ৰাম্পে কয়, যে যদিহে নাইজেৰিয়াই খ্ৰীষ্টধৰ্মী লোকসকলৰ হত্যাৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণত ব্যৰ্থ হয়, তেন্তে আমেৰিকাই শীঘ্ৰে দেশখনলৈ সকলো ধৰণৰ সাহায্য বন্ধ কৰি দিব। আন্তঃৰাষ্ট্ৰীয় ধৰ্মীয় স্বাধীনতা আইনৰ অধীনত আমেৰিকাই নাইজেৰিয়াক বিশেষ উদ্বেগৰ দেশ হিচাপে ঘোষণা কৰাৰ পাছতে শ্ৰী ট্ৰাম্পে এই নিৰ্দেশ দিয়ে।

০০০০০

বাহৰেইনৰ বিদেশমন্ত্ৰী আব্দুল্লাটিফ বিন ৰছিদ আলজায়ানি দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। এই ভ্ৰমণৰ সময়ছোৱাত বাহৰেইনৰ বিদেশমন্ত্ৰীগৰাকীয়ে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক সাক্ষাৎ কৰিব। যোৱা বছৰ ডিচেম্বৰত ড০ এছ জয়শংকৰৰ বাহৰেইন ভ্ৰমণৰ পিছতে আব্দুল্লাটিফ বিন ৰছিদ আলজায়ানিৰ এই ভ্ৰমণে বিশেষ তাৎপৰ্য বহন কৰিছে। যোৱা বছৰ বাহৰেইন ভ্ৰমণৰ সময়ত ড০ জয়শংকৰে ভাৰত-বাহৰেইন যুটীয়া উচ্চ আয়োগৰ চতুৰ্থ বৈঠকত সহ অধ্যক্ষতা কৰিছিল। এই বৈঠকত দুয়ো পক্ষই শিক্ষা খণ্ডত দ্বিপাক্ষিক সহযোগিতাৰ পৰিসৰ সম্প্ৰসাৰণৰ বাবে সন্মতি প্ৰকাশ কৰিছিল। দুয়োখন দেশে ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজৰ সহযোগিতাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ হকে কাম কৰি আছে। বাহৰেইনৰ বিদেশ মন্ত্ৰীগৰাকী  কাইলৈ স্বদেশলৈ উভতি যাব।

০০০০০

প্ৰসাৰ ভাৰতীয়ে সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত আজিৰে পৰা ২৯ নৱেম্বৰলৈ সমগ্ৰ দেশৰ ২৪ টা কেন্দ্ৰত আকাশবাণী সংগীত সন্মিলনৰ  ৬৭ সংখ্যক সংস্কৰণৰ আয়োজন কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ১৯৫৪ চনত আৰম্ভ কৰা আকাশবাণীৰ সংগীত সন্মিলন দেশৰ সাংস্কৃতিক পৰম্পৰাৰ প্ৰতীক। এই সন্মিলনে দেশৰ চহকী সংগীত ঐতিহ্যৰ সংৰক্ষণ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে কৈছে যে কোৱিড-১৯ মহামাৰীৰ বাবে কিছুসময়

বন্ধ ৰখাৰ পাছত এইবেলি নতুন ৰূপত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এইবাৰ প্ৰতিটো কেন্দ্ৰত দুটা অনুষ্ঠানৰ আয়োজন কৰা হব। ইয়াৰে এটা ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু আনটো লোকসংগীতৰ নামত উৎসৰ্গিত হ'ব। পানাজী আৰু শ্বিলঙত বিশেষভাৱে পাশ্চাত্য সংগীতৰ অনুষ্ঠানৰ দিহা কৰা হৈছে।

০০০০০

বিহাৰত নিৰ্বাচনী প্ৰচাৰ অভিযান চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ৰাজনৈতিক দলসমহূৰ শীৰ্ষ নেতাসকলে ৰাজ্যখনৰ বিভিন্ন স্থানৰ নিৰ্বাচনী ৰেলী, জনসভা আদিত অংশগ্ৰহণৰ জৰিয়তে ভোটদাতা ৰাইজৰ মন আকৰ্ষণৰ বাবে আপ্ৰাণ চেষ্টা চলাই আছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনজোৰা নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে বিহাৰলৈ যাব। বিয়লি প্ৰধানমন্ত্ৰীগৰাকীয়ে আৰা আৰু নাৱাৰাত দুটাকৈ ৰেলীত অংশগ্ৰহণ কৰিব। আজি সন্ধিয়াৰ ভাগলৈ প্ৰধানমন্ত্ৰীগৰাকী পাটনালৈ উভতি যোৱাৰ কথা আছে।

ইয়াৰ পাছত শ্ৰী মোদীয়ে পাটনাত ৰাষ্ট্ৰকবি ৰামধাৰী সিং দিনকৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব আৰু এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত এটা বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। তেওঁ লগতে পাটনা চহৰৰ তখ্‌ত শ্ৰী হৰিমন্দিৰ চাহিব গুৰুদ্বাৰালৈ যোৱাৰ কথা আছে। সন্ধিয়া তেওঁ আন এটা ৰোড শ্বোত অংশগ্ৰহণ কৰিব।

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুজাফৰপুৰ আৰু বৈশালীত নিৰ্বাচনী ৰেলীত ভাগ ল'ব। আনহাতে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী বেগুচৰাই আৰু খাগাৰীয়াত দুখনকৈ সভাত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইপিনে মহা মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী যাদৱে মুংগেৰ, পাটনা, বৈশালী আৰু চৰণত কেইবাখনো নিৰ্বাচনী সভাত ভাষণ দিব।

০০০০০

কৰ্মচাৰী ভৱিষ্যনিধি সংস্থা - ই পি এফ অ' অকল এটা পুজিয়েই নহয়, সামাজিক সুৰক্ষাৰ প্ৰতি দেশৰ কৰ্মশক্তিৰ বিশ্বাসৰ প্ৰতীক বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠান দিৱসত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কালি এইদৰে মন্তব্য কৰে। ডং মন্দাভিয়াই দেশৰ কৰ্মশক্তিৰ সামাজিক আৰু বিত্তীয় কল্যান সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সংস্থাটোৰ ঐতিহাসিক ভূমিকাৰ শলাগ লয়। তেওঁ লগতে নতুন উদ্দেশ্য আৰু দৃষ্টিভংগীৰে নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান কৰিবলৈ সংস্থাটোৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে কৰ্মচাৰীৰ নাম পঞ্জীয়ন আঁচনি ২০২৫ ৰ আৰম্ভ কৰে। যোগ্য কৰ্মচাৰীসকলৰ নাম স্বেচ্ছাই ঘোষণা কৰিবলৈ আৰু পঞ্জীয়ন কৰিবলৈ নিয়োগকৰ্তাসকলক উৎসাহিত কৰাই কালিৰে পৰা প্ৰযোজ্য এই আঁচনিখনৰ মূল উদ্দেশ্য।

০০০০০

ভাৰত আজি নৱী মুম্বাইৰ ডং ডি ৱাই পাটিল স্পোৰ্টছ্ একাডেমীত হ'বলগীয়া আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। ভাৰতে যোৱা বৃহস্পতিবাৰে নৱী মুম্বাইত অনুষ্ঠিত ৰোমাঞ্চকৰ দ্বিতীয়খন ছেমিফাইনেলত অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন চেমিফাইনেলত ইংলেণ্ডক ১২৫ ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। দুয়োটা দলে

বৰ্তমানলৈকে বিশ্বকাপৰ খিতাপ দখল কৰা নাই। ভাৰতে এইবাৰ তৃতীয়বাৰৰ বাবে বিশ্বকাপৰ ফাইনেলত অৱতীৰ্ণ হ'ব। ইয়াৰ বিপৰীতে এয়া হ'ব দক্ষিণ আফ্ৰিকাৰ প্ৰথম বিশ্বকাপ ফাইনেল।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি হোবাৰ্টত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ এক বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। পাঁচখনীয়া শৃংখলাটোত অষ্ট্ৰেলিয়া সম্প্ৰতি ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰত মেলবৰ্ণত অনুষ্ঠিত দ্বিতীয়খন খেলত চাৰি উইকেটত পৰাজিত হৈছিল।

০০০০০

সমাপ্ত